# আমাৰ ত্ৰাণকৰ্ত্তা যীচুৰ জন্ম আমি উদ্‌যাপন কৰোঁ

**প্ৰাৰ্থনা ঃ** "হে আমাৰ স্বৰ্গত থকা পিতৃ, আপুনি আমালৈ দিয়া, অতি মহান, মৰমৰ উপহাৰ আপোনাৰ পুত্ৰ যীচুৰ কাৰণে ল'ৰা-ছোৱালীয়ে বুজিবলৈ এই পাঠ যে ব্যৱহাৰ হ'বলৈ সহায় কৰক।"


আপোনাৰ আঁচনি আৰু থলুৱা ৰীতিত খাপ খুউৱা কামবোৰ বাচি লওঁক।

১। **যীচুৰ জন্মৰ গীত-গান কৰক।**

এই বৰদিনৰ সময়ত কিছুমান বিশ্বাসীসকলে বন্ধুবিলাকৰ ঘৰৰ আগত গীত-গান কৰিব পাৰে।

২। **এই দানা-পাত্ৰৰ ছবিখনৰ নকল অথবা ৰং কৰক।**

- যীচুৰ প্ৰথম বিচনাখন এটা দানা পাত্ৰ আছিল। যিটোত গৰু আৰু মেৰে খাবলৈ থোৱা খেৰ ৰখা হৈছিল।



- বৰদিন পালনৰ সময়ত ল'ৰা-ছোৱালীয়ে অঁকা ছবিবিলাক বয়সীয়াসকলক দেখুৱাওক।
- ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলক ব্যাখা কৰক যে যীচু কেনেকৈ এটা অতি নীহ ঠাইত জন্ম লৈছিল সেই কথা দানা পাত্ৰই আমাক সোঁৱৰায়। ঈশ্বৰৰ পুত্ৰ বুলি লোকবিলাকে তেওঁক এতিয়াও স্বীকৃতি দিয়া নাই।

৩। **ল'ৰা-ছোৱালীক যীচুৰ জন্মৰ কাহিনীটো কওঁক, লূক ১ঃ২৬-৩৮ আৰু ২ঃ১-২০।**

- এজন ডাঙৰ ল'ৰা / ছোৱালীক অথবা শিক্ষকক ঈশ্বৰৰ পুত্ৰ, যীচুৰ জন্মৰ কাহিনীটো পঢ়িবলৈ দিয়ক।
- বৰ্ণনা কৰক যে ঈশ্বৰৰ পুত্ৰ এজন মানুহৰূপে জন্ম লৈছিল, ৰাজ প্ৰসাদত নহয় কিন্তু জন্তু ৰখা এটা গোহালী ঘৰত।

**প্ৰশ্নবোৰ ঃ** কাহিনীটো কোৱা উচিত, তলত দিয়া প্ৰশ্নবোৰ কৰক। *প্ৰত্যেক প্ৰশ্নৰ অন্তত উত্তৰ দিয়া আছে।*

ক) স্বৰ্গদূতক দেখি মৰিয়মে কেনে অনুভৱ কৰিছিল? *লূক* ***১ঃ২৯।***

খ) যীচুৰ বিষয়ে স্বৰ্গদূতে কি প্ৰতিজ্ঞাবোৰ কৰিছিল? *লূক* ***১ঃ৩২-৩৩।***

গ) দূতৰ বাতৰিক মৰিয়মে কেনেকৈ সঁহাৰি জনাইছিল? *লূক* ***১ঃ৩৮।***

ঘ) যোচেফ আৰু মৰিয়ম বৈৎলেহেমলৈ কিয় যাবলগা হৈছিল? *লূক* ***২ঃ১-৩*** (পিয়লৰ কাৰণে লোকবিলাকক নিজৰ নিজৰ জন্মৰ ঠাইলৈ যাবলৈ ৰোমীয় সম্ৰাটে আদেশ দিছিল)।

ঙ) মৰিয়মে নবজাত শিশুটিক ক'ত থৈছিল? *লূক* ***২ঃ৭।***

চ) সেই ৰাতি মেৰৰখীয়া বিলাকে কিয় ভয় খাইছিল? *লূক* ***২ঃ৮-১০।***

ছ) মেৰৰখীয়া বিলাকে শিশু যীচুক কেনেকৈ চিনি পাব? *লূক* ***২ঃ১১-১২।***

জ) যীচুক দেখি মেৰৰখীয়া বিলাকে কি কৰিলে? *লূক* ***২ঃ২০।***

৪। **বয়সীয়া সকলৰ নিমিত্তে যীচুৰ জন্ম কাহিনীটো ল'ৰা-ছোৱালীক নাটক পৰিবেশন কৰিবলৈ দিয়ক।** উপাসনা চলাওঁতাৰ লগত **এই নাটকৰ ব্যৱস্থা কৰক**। সম্ভৱ হ'লে কেইবা সপ্তাহৰ আগৰে পৰা প্ৰস্তুত কৰক।

- যদি সময় সীমিত, তেনেহ'লে নাটকত কম গুৰুত্বৰ অংশবোৰ বাদ দিব।
- ল'ৰা-ছোৱালী নিচেই তাকৰ হ'লে, বয়সীয়া অথবা চুবুৰীৰ ল'ৰা-ছোৱালীক সহজ ভাগ সহায় কৰিবলৈ কওঁক।
- সময় উপযোগী আৰু স্থানীয় ৰীতি অনুযায়ী নাটকত এৰা ধৰা কৰক।

**ডাঙৰ ল'ৰা-ছোৱালী প্ৰস্তুতি ঃ**

- **বৰ্ণনাকাৰী,** কাহিনীটো সংক্ষেপে আখৰা কৰক। সিহঁতে কি ক'ব আৰু কৰিব লাগে - ল'ৰা-ছোৱালীক মনত পেলোৱাত সহায় কৰক।
- **মৰিয়ম আৰু যোচেফ।** যীচুৰ অনুৰূপ হ'বলৈ মৰিয়মে হাতত এটি পুতলা কাপোৰত মেৰিয়াই ধৰি থাকিব।
- **গ্ৰাবিয়েল দূত।** সম্ভৱ হ'লে এটা দীঘল হলৌ চোলা পিন্ধিব। অথবা এখন বগা বিচনা চাদৰ ব্যৱহাৰ কৰিব পাৰে।

**সৰু ল'ৰা-ছোৱালীৰ প্ৰস্তুতি ঃ**

- আলহী ঘৰৰ গৰাকী, গোহালীত গৰু, মেৰৰখীয়া আৰু সিহঁতৰ মেৰৰ ভাও ল'ব।
- মেৰৰখীয়াৰ হাতত লাখুটি (দীঘলীয়া) থাকিব।
- দানা পাত্ৰ বুজাবলৈ এটা ডাঙৰ বাকচত খেৰ অথবা ঘাঁহ থব।

## কাহিনীটোৰ ১ ম ভাগ (মৰিয়ম আৰু গ্ৰাবিয়েল দূত)

**বৰ্ণনাকাৰী ঃ** লূক ১ঃ২৬-৩৮ পঢ়ক অথবা মুখস্থ কওক। এতিয়া কওক, "গ্ৰাবিয়েল দূতে কি কৈছে, শুনক।"

**গ্ৰাবিয়েল ঃ** (বৰ মাতেৰে কওক) "মৰিয়ম তোমাৰ মঙ্গল হওঁক। ভয় নকৰিবা। তুমি এটি পুত্ৰ প্ৰসৱ কৰিবা, যিজনা সৰ্ব্বোপৰি জনাৰ পুত্ৰ, যীচু হব। তেওঁ ৰজা হ'ব।"

**মৰিয়মঃ** "কিন্তু মোৰ স্বামী নাই।"

**গ্ৰাবিয়েলঃ** "ঈশ্বৰে তোমাক সন্তান দিব।"

**মৰিয়মঃ** মই ঈশ্বৰৰ দাসী। মই আপুনি কোৱাৰ দৰেই কৰিম।"

## ২ য় ভাগ (মৰিয়ম, যোচেফ, মেৰৰখীয়া, আলহী ঘৰৰ গৰাকী, গৰু, ছাগলী)

**বৰ্ণনাকাৰীঃ** লূক ২ঃ১-৭ পঢ়ক অথবা মুখস্থ কওক। এতিয়া কওক, "যোচেফে কি কয় শুনক।"

**যোচেফ ঃ** "হেৰা মৰিয়ম, নাম লিখাবলৈ আমি বৈৎলেহেমলৈ যোৱা উচিত। ৰোমীয় সম্ৰাটে এক পিয়লৰ কাৰণে আদেশ জাৰি কৰিছে।"

**মৰিয়মঃ** "কিন্তু কেচুঁৱাটি জন্ম সময় হৈছেহি।"

**যোচেফ ঃ** মৰিয়মক বাহুত ধৰে আৰু এফলীয়াকৈ আগবাঢ়ে।

**মৰিয়মঃ** "যোচেফ, খৰ কৰা, কেচুঁৱাটি জন্মৰ সময় হৈছে। চোৱা, ইয়াতে এটা আলহী ঘৰ আছে।"

**যোচেফঃ** আলহীঘৰৰ গৰাকী ৰৈ থকা ঠাইলৈ যায়। দুৱাৰত টুকুৰিওৱাৰ ভাও কৰে।
"টক্ টক্ টক্!" চিঞৰি কয়, "হেৰা গৰাকী, আমালৈ এটা কোঠালি হ'বনে বাৰু?"

**আলহী ঘৰৰ গৰাকীঃ** "নাই, নহ'ব। কিন্তু ইচ্ছা হ'লে গৰুবোৰৰ লগতে গোহালীটোত শুব পাৰিব।"

**যোচেফঃ** মৰিয়মক ধৰি দানা পাত্ৰৰ ওচৰলৈ আগবাঢ়ে।

**গৰু / মেৰঃ** হাতেৰে বগুৰা বাই মৰিয়মৰ চাৰিওকাষে যায় আৰু গৰুৰ দৰে শব্দ কৰে।

**মৰিয়মঃ** পুতলাটো কাপোৰেৰে মেৰিয়াই বাকচত থয় আৰু কয়, "যীচু জন্মিল"।

## ৩ য় ভাগ (মেৰৰখীয়া আৰু মেৰ)

**বৰ্ণনাকাৰীঃ** লূক ২ঃ৮-২০ পঢ়ক অথবা মুখস্থ কওক। এতিয়া কওক, "মেৰৰখীয়াবিলাকে কি কয়, শুনক।"

**তিনিজন মেৰ ৰখীয়াই কয়ঃ** "আজি ৰাতি বৰ ঠাণ্ডা, তৰাবোৰ উজ্জ্বল।" মেৰ বিলাক নিজমে আছে।

**মেৰ বিলাকঃ** মেৰৰখীয়াৰ চাৰিওকাষে হাতেৰে, আঠুৰে বগুৱা বাই যায়। মেৰৰ দৰে মাত উলিয়ায়।

**স্বৰ্গদূত আৰু মেৰৰখীয়াবিলাকঃ** স্বৰ্গদূত সকলে দেখা দিয়ে। ভয়তে, মেৰৰখীয়া বিলাকে মাটিত পৰি যায়।

**স্বৰ্গদূত বিলাকঃ** "হে, মেৰৰখীয়াবিলাক! তোমালোকে ভয় নকৰিবা। তোমালোকলৈ আমি শুভ বাতৰি আনিছোঁ। তেওঁ খ্ৰীষ্ট প্ৰভু হয়। তোমালোকে তেওঁক বৈৎলেহেমৰ দানা পাত্ৰত কাপোৰৰে মেৰিয়াই থোৱা দেখা পাবা।"

**মেৰ ৰখীয়াৰ চলাওঁতাঃ** "আহাঁহঁক ব'লা, বেগাই চাওঁগৈ!"

**মেৰ ৰখীয়াবিলাকঃ** (যীচু থকা ঠাইলৈ দৌৰি যায়। বাকচটোৰ ওচৰলৈ গৈ আঠু লয়। অলপ পিছত উঠে।)

**মেৰ ৰখীয়াৰ চলাওতাঃ** "ঈশ্বৰৰ প্ৰশংসা হওঁক। তেওঁৰ অভিষিক্ত জনা, খ্ৰীষ্ট্ জন্মিল। ঈশ্বৰ আমাৰ লগত!"

**বৰ্ণনাকাৰীঃ** নাটক পৰিবেশনৰ অন্তত, ল'ৰা-ছোৱালী আৰু সহায় কৰা সকলোকে ধন্যবাদ দিয়ক।

**প্ৰশ্ন ঃ** কৰিবলগীয়া - ২ ৰ তালিকাত দিয়া প্ৰশ্নবোৰ ল'ৰা-ছোৱালীয়ে বয়সীয়াসকলক সোধক।

**লূক ২ঃ১৪ মুখস্থ কৰক।**

**পদ্যঃ** মৰিয়মৰ প্ৰাৰ্থনা তিনিটা ল'ৰা-ছোৱালীক ক'বলৈ কওঁক, লূক ১ঃ৪৬-৫৫। এই প্ৰাৰ্থনাৰ প্ৰতি শাৰী বাক্য ল'ৰা-ছোৱালীক আপোনাৰ পাছে পাছে ক'বলৈ দিয়ক।

"উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা।" (ল'ৰা-ছোৱালীয়ে দোহাৰক)

"আপোনাৰ পুত্ৰক আমালৈ দিয়া বাবে প্ৰভু আমি আপোনাৰ প্ৰশংসা কৰো।" (ল'ৰা-ছোৱালীয়ে দোহাৰক)

"আপোনাৰ পুত্ৰৰ নিমিত্তে আপুনি এক চহকী ৰাজপ্ৰসাদ যোগাৰ নকৰিলে।" (ল'ৰা-ছোৱালীয়ে দোহাৰক)

"দৰিদ্ৰ আৰু সহায়হীন সকললৈ আপুনি তেওঁক পঠিয়ালে।" (ল'ৰা-ছোৱালীয়ে দোহাৰক)

"মেৰৰখীয়া আৰু স্বৰ্গদূত সকলৰ দৰে আমি তেওঁৰ জন্ম দিন আনন্দৰে পালন কৰোঁ। (ল'ৰা-ছোৱালীয়ে দোহাৰক)"

"যীচুৰ নামত, আমেন।" (ল'ৰা-ছোৱালীয়ে দোহাৰক)

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.